C. S. (MAIN) EXAM, 2009

Sl. No. 113 D–DTN–J–BTA

# ASSAMESE

## Paper—I

## ( Literature )

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

## INSTRUCTIONS

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

## Section—A

**1.** যি কোনো তিনিটা প্ৰশ্ন বাছিলৈ প্ৰতিটোৰ উত্তৰ *200* (দুইশ) শব্দৰ ভিতৰত লিখাঁ : 20×3=60

*(a)* অসমীয়া ভাষাৰ মূল কি ? এই ভাষাৰ জন্ম আৰু ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰাঁ।

*(b)* 'অসমীয়া গদ্যৰ ইতিহাস'—এই শীৰ্ষক এটি চমু প্ৰবন্ধ যুগুত কৰাঁ।

*(c)* অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি ? উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুসৰি ইয়াক তালিকাভুক্ত কৰি দেখুওৱাঁ আৰু যি কোনো পাঁচোটাৰ প্ৰয়োগ নিৰ্ণয় কৰাঁ।

(d) উপভাষাৰ সৃষ্টি কেনেকৈ হয়? অসমীয়া ভাষাৰ প্ৰধান উপভাষা কামৰূপী উপভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰ উল্লেখ কৰি চমু আলোচনা দাঙি ধৰাঁ।

**2.** অসমীয়া ভাষাৰ শব্দমালাক কেইভাগত ভগাব পাৰি? এই ভাষাৰ শব্দমালাত আৰ্য-ভিন্ন ভাষাৰ শব্দৰ প্ৰয়োগ সম্পৰ্কে ফঁহিয়াই আলোচনা কৰাঁ। 60

**3.** অসমীয়া লিপিৰ জন্ম আৰু ক্ৰমবিকাশৰ ইতিহাস নিৰ্ণয় কৰি এক চমু প্ৰবন্ধ যুগুত কৰাঁ। 60

**4.** ক্ৰিয়ামূল বা ধাতু কাক বোলে? অসমীয়া ক্ৰিয়ামূল বা ধাতুৰ উৎস অনুসৰি ইয়াৰ শ্ৰেণীবিভাজন কৰি দেখুওৱাঁ। 60

## Section—B

**5.** যি কোনো **তিনিটা** প্ৰশ্ন বাছিলৈ প্ৰতিটোৰ উত্তৰ *200* (দুইশ) শব্দৰ ভিতৰত লিখাঁ : 20×3=60

(a) সাহিত্য-সমালোচনাৰ প্ৰধান ধাৰা কেইটা আৰু কি কি? এই সম্পৰ্কে ফঁহিয়াই আলোচনা কৰাঁ।

(b) শঙ্কৰদেৱৰ নাটসমূহক কি আখ্যা দিয়া হয়? তেওঁৰ নাটৰ আলম লৈ নাট্য-প্ৰতিভাৰ এক পৰিচয় দাঙি ধৰাঁ।

(c) অসমীয়া সাহিত্যৰ 'জোনাকী-যুগ'ৰ ত্ৰিমূৰ্ত্তি বুলিলে কি বুজা? এই যুগৰ সাহিত্যৰ বৈশিষ্ট্য নিৰূপণ কৰি এটা প্ৰবন্ধ লিখাঁ।

(d) 'আধুনিক অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাৱ'—এই শীৰ্ষক এক আলোচনা আগবঢ়োৱাঁ।

6. মাধৱদেৱৰ 'নামঘোষা'ত ভক্তিৰসৰ প্ৰকাশ কিদৰে ঘটিছে, আলোচনা কৰাঁ। 60

7. অসমীয়া চুটিগল্পৰ জনক কোন? অসমীয়া চুটিগল্পৰ ইতিহাসত তেওঁৰ স্থান নিৰ্ণয় কৰি এক আলচ যুগুত কৰাঁ। 60

8. উত্তৰ-স্বাধীনতা কালৰ অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি নিৰ্ণয় কৰি এটা আলোচনা যুগুত কৰাঁ। 60

★ ★ ★